মহান আল্লাহে মোলৈ অহী কৰিছে যে, তোমালোকে পৰস্পৰে বিনয়ী হোৱা, কোনেও কাৰো প্ৰতি অহংকাৰ নকৰিবা, লগতে কোনেও কাৰো প্ৰতি সীমালংঘন নকৰিবা।

ইয়াজ ইবনু হিমাৰ বনী মুজাশ্বিঈৰ ভাতৃ, তেওঁ কৈছেঃ এবাৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাৰ মাজত থিয় হৈ ভাষণ প্ৰদান কৰিলে। এই হাদীছটো এটা ডাঙৰ হাদীছৰ অংশ, তাত তেখেতে কৈছেঃ "মহান আল্লাহে মোলৈ অহী কৰিছে যে, তোমালোকে পৰস্পৰে বিনয়ী হোৱা, কোনেও কাৰো প্ৰতি অহংকাৰ নকৰিবা, লগতে কোনেও কাৰো প্ৰতি সীমালংঘন
নকৰিবা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সম্বোধন কৰি ভাষণ দিবলৈ থিয় হৈছিল আৰু তেখেতে ভাষণৰ মাজতে কৈছিল যে, মহান আল্লাহে তেওঁলৈ অহী প্ৰেৰণ কৰি কৈছে যে, মানুহে পৰস্পৰৰ মাজত যেন বিনয়ী হয়, অৰ্থাৎ সৃষ্টিৰ সন্মুখত যেন বাহু নত কৰে আৰু ভদ্ৰতা অৱলম্বন কৰে। যাতে কোনেও নিজৰ বংশ, ধন-সম্পদ আৰু বেলেগ কোনো ক্ষেত্ৰতে আনৰ ওপৰত মহত্ব তথা মান-মৰ্যাদা দাবী কৰি গৌৰৱ নকৰে, লগতে কোনেও যাতে কাৰো ওপৰত অহংকাৰ নকৰে।

http://sunnah.global/hadeeth/as/show/5497